জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪০/২০২১

# বিশিষ্ট ক্ৰীড়া সংগঠক তথা প্ৰাক্তন হকী খেলুৱৈ ইব'চা সিঙৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২০ মে' ঃ** অসমৰ এগৰাকী বিশিষ্ট ক্ৰীড়া সংগঠক, প্ৰাক্তন হকী খেলুৱৈ, ৰাজ্যিক পৰ্যায়ৰ ফুটবল আৰু হেণ্ডবল ৰেফাৰী ইব'চা সিঙৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰয়াত খেলুৱৈ তথা ক্ৰীড়া সংগঠকগৰাকীয়ে ৰাজ্যখনৰ ক্ৰীড়া জগতলৈ যি অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী হকী খেলুৱৈ হিচাপে কেৰিয়াৰ আৰম্ভ কৰা প্ৰয়াত সিঙে পৰৱৰ্তী কালত ৰাজ্যৰ বহুকেইটা আগশাৰীৰ ক্ৰীড়া সন্থাৰ বিভিন্ন গুৰুত্বপূৰ্ণ পদবীত কাৰ্যনিৰ্বাহ কৰিছিল। গুৱাহাটী ক্ৰীড়া সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা আজীৱন সদস্য, অসম বেডমিণ্টন সন্থাৰ প্ৰাক্তন কোষাধ্যক্ষ তথা অসম ফুটবল সন্থাৰ পৰিচালনা সমিতিৰ সদস্য হিচাপে সেৱা আগবঢ়োৱা প্ৰয়াত সিঙে ৰাজ্যিক পৰ্যায়ৰ এগৰাকী ফুটবল আৰু হেণ্ডবল ৰেফাৰী হিচাপেও সুখ্যাতি লাভ কৰিছিল। এইগৰাকী বিশিষ্ট ক্ৰীড়া সংগঠকৰ বিয়োগত অসমৰ ক্ৰীড়াজগতে এগৰাকী উজ্জ্বল তাৰকা হেৰুৱালে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ইব'চা সিঙৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি তেওঁৰ শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা গুণমুগ্ধসকললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**প্ৰঃকুঃবঃ**
**২০/০৫/২০২১**